জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ২৩৮/২০২২

# আজাদী কা অমৃত মহোৎসৱ উপলক্ষে চাইকেল ৰেলীৰ ফ্লেগ অফ কৰিলে মুখ্যমন্ত্ৰীয়ে

# ‘হৰ ঘৰ তিৰংগা’ অভিযানৰ আৰম্ভণি উপলক্ষে উলিওৱা শোভাযাত্ৰাত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৩ আগষ্ট ঃ** ভাৰতবৰ্ষৰ স্বাধীনতা দিৱসৰ ৭৫ সংখ্যক বৰ্ষৰ অংশ হিচাপে আজাদী কা অমৃত মহোৎসৱ উদযাপনৰ লগত সংগতি ৰাখি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম বাগান শস্য উন্নয়ন নিগম লিমিটেডৰ অধ্যক্ষ অশোক শৰ্মাৰ উদ্যোগত আয়োজিত চাইকেল ৰেলীৰ ফ্লেগ অৱ কৰে।

উল্লেখ্য যে পৰিৱেশ সংৰক্ষণ আৰু ইয়াৰ অৱক্ষয় ৰোধ কৰাৰ দিশত সজাগতা সৃষ্টিৰ বাবে এই চাইকেল ৰেলীৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ পৰা শিৱসাগৰলৈ চাইকেল যাত্ৰা কৰাৰ সময়ত ইয়ে জনসাধাৰণক পৰিৱেশগত দিশত বাৰ্তা প্ৰেৰণ কৰিব পাৰিব বুলি আশা কৰা হৈছে। অনুষ্ঠানৰ লগত সংগতি ৰাখি মুখ্যমন্ত্ৰীয়ে অসম বাগান শস্য উন্নয়ন নিগম লিমিটেডৰ চৌহদতো বৃক্ষ ৰোপণ কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে অশোক শৰ্মাকে ধৰি চাইকেল ৰেলীত অংশ গ্ৰহণ কৰা সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰি কয় যে এই ৰেলীত অংশ গ্ৰহণকাৰীসকলে পৰিৱেশ অৱক্ষয় ৰোধৰ দিশত জনসাধাৰণৰ মাজত বাৰ্তা প্ৰচাৰ কৰিব লাগিব। পৰিৱেশ সুৰক্ষিত কৰি ৰখাৰ বাবেও ৰাইজক সজাগ কৰিব লাগিব বুলি তেওঁ কয়।তেওঁ লগতে কয় যে বনাঞ্চলৰ আৱৰণ কমি অহাৰ বাবেই গোলকীয় উষ্ণতা বৃদ্ধি এক চিন্তাৰ বিষয় হৈ পৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত তেওঁ ৰাইজক পৰিৱেশগত দিশত অধিক সচেতন হোৱাৰ লগতে ৰোপণ কৰা গছপুলি জীয়াই ৰাখিবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে চাইকেল ৰেলীত অংশগ্ৰহণকাৰীসকলক স্বাধীনতাৰ বাৰ্তা প্ৰচাৰৰ জৰিয়তে নৱ প্ৰজন্মৰ মাজত দেশপ্ৰেমৰ অনুভূতি জাগৃত কৰাৰ বাবেও আহ্বান জনায়। তেওঁ কয় যে আজাদী কা অমৃত মহোৎসৱ উপলক্ষে প্ৰকৃতিক সেউজীয়া কৰি ৰখাৰ বাবে সংকল্প গ্ৰহণৰো আহ্বান জনায়।তেওঁ লগতে কয় যে আজাদী কা অমৃত মহোৎসৱৰ উদযাপনৰ জৰিয়তে দেশৰ স্বাধীনতাৰ শততম বৰ্ষলৈ এই সময়ছোৱাক ‘অমৃত কাল’ হিচাপে চিহ্নিত কৰা হৈছে। এই উপলক্ষে জনসাধাৰণে দেশক বিশ্ব গুৰু হিচাপে গঢ়ি তোলাৰ বাবে কাম কৰাৰ প্ৰতিজ্ঞাবদ্ধ হ’বলৈ আহ্বান জনায়।

ইয়াৰ পূৰ্বে আজাদী কা অমৃত মহোৎসৱৰ উদযাপন উপলক্ষে দেশজোৰা ‘হৰ ঘৰ তিৰংগা’ অভিযানৰ আৰম্ভণি উপলক্ষে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু অন্যান্যসকলৰ অংশ গ্ৰহণৰে আয়োজিত প্ৰভাত ফেৰীতো মুখ্যমন্ত্ৰীয়ে অংশ গ্ৰহণ কৰে।

কামৰূপ একাডেমী বিদ্যালয়ৰ পৰা আৰম্ভ হোৱা শোভাযাত্ৰাত প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে ৰাষ্ট্ৰীয় পতাকা হাতত লৈ গুৱাহাটী ক্লাব, আমবাৰী, দীঘলীপুখুৰী আদিৰ মাজেৰে বন্দে মাতাৰাম ধ্বনিৰে মুখৰিত কৰি তোলে। স্বতঃস্ফূৰ্তভাৱে অংশ গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলক মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে। ইয়ে ৰাতিপুৱাৰ শোভাযাত্ৰা সফল কৰিলে বুলিও তেওঁ কয়। অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, শিক্ষা উপদেষ্টা ড° ননী গোপাল মহন্তকে ধৰি বহু গণ্যমাণ্য ব্যক্তি উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**১৩/০৮/২০২২**